# কাৰ্বিসকলৰ মহাপাষাণ সংস্কৃতিত এভূমুকি

**সংস্কৃতি** গতিশীল। এই গতিক ৰোধিব পৰা ক্ষমতা আমাৰ হাতত নাই। সেয়া হওক লাগে বা প্ৰস্তৰ যুগৰ সংস্কৃতিয়েই বা আধুনিক যুগৰ সংস্কৃতি। যেতিয়াই কোনো সাংস্কৃতিক উপাদানৰ বিশ্বজনীন আবেদন থাকে তেতিয়াই সহজে ই বিভিন্ন জাতি-উপজাতিৰ সাংস্কৃতিক ঐতিহ্যৰ মাজত নিজৰ বাবে এক সুদৃঢ় স্থান তৈয়াৰ কৰি লয়। মহাপাষাণ সংস্কৃতিৰ ক্ষেত্ৰতো এই কথাখিনি প্ৰযোজ্য বুলি ক'ব পাৰি। মহাপাষাণ স্তম্ভসমূহৰ স্থাপনৰ আঁৰত যি এক মানৱীয়, বিশ্বজনীন আবেদন নিহিত হৈ আছিল, তাৰ ফলস্বৰূপে সকলো ধৰণৰ সভ্যতাৰ কেন্দ্ৰস্থল বুলি চিহ্নিত ইজিপ্তত ইয়াৰ উৎপত্তি হৈছিল যদিও সময়ত সকলো ধৰণৰ ভৌগোলিক বা সাংস্কৃতিক বাধা অতিক্ৰমি বিশ্বৰ বিভিন্ন প্ৰান্তৰ জাতি উপ-জাতিৰ (জাতি-জনজাতিৰ) মাজত ইয়াৰ অনুশীলন আৰম্ভ হৈছিল।

মহাপাষাণৰ (Megaliths)ৰ ব্যুৎপত্তিগত অৰ্থ বিচাৰিলে দেখা যায় যে ই কিছুমান ডাঙৰ শিলা খণ্ডক বুজায় (Mega-Big, Lithos-Stone)। কিন্তু ইয়াৰ প্ৰকৃত অৰ্থ হ'ব— কোনো মৃত ব্যক্তিৰ স্মৃতিচাৰণৰ বাবে প্ৰতিষ্ঠা কৰা ডাঙৰ শিলৰ স্মৃতি স্তম্ভ। অনুমান কৰা হয় যে মহাপাষাণ সংস্কৃতিৰ আৰম্ভণি ঘটিছিল নৱপ্ৰস্তৰ যুগৰ কালছোৱাত আৰু ই বৰ্তি আছিল ব্ৰঞ্জ যুগ বা প্ৰাৰম্ভিক ঐতিহাসিক যুগলৈ। কিন্তু, উল্লেখ্য যে উত্তৰ-পূব ভাৰতত বিশেষকৈ অসম, মেঘালয়, মণিপুৰ আৰু নগালেণ্ডৰ কিছুমান জনজাতীয় গোটৰ মাজত ইয়াৰ অনুশীলন পূৰ্বৰ দৰে বা কিছু পৰিৱৰ্তিত ৰূপত এতিয়াও চলি আছে। তেওঁলোকৰ



মাজত এতিয়াও ই এক জীৱন্ত পৰম্পৰা। অসমৰ বিভিন্ন ভাষিক জনজাতীয় গোটৰ মাজত কাৰ্বিসকলেই মাত্ৰ এনে এটা জনজাতীয় গোট, যিয়ে এতিয়াও এনে এক প্ৰাচীন সাংস্কৃতিক উপাদানৰ বিলুপ্তি ঘটিবলৈ দিয়া নাই।

মহাপাষাণ স্তম্ভ বা মৃতকৰ স্মৃতিত পোতা শিলটোৱে প্ৰকাশ কৰে আত্মাৰ অমৰত্বৰ ওপৰত থকা তেওঁলোকৰ বিশ্বাস বা দৰ্শন। তেওঁলোকে ভাবে যে ব্যক্তি এগৰাকীৰ মৃত্যুৰ লগে লগে তেওঁলোক সহজে এই পৃথিৱীৰ মায়া ত্যাগ কৰি মহাবিশ্বত লীন হৈ নাযায়। বিভিন্ন আকৰ্ষণে মৃত ব্যক্তিসকলক পৃথিৱীলৈ হাত বাউল দি আমন্ত্ৰণ জনায়। যাৰফলত তেওঁলোকে পৃথিৱীৰ মোহ ত্যাগ কৰিব নোৱাৰি মানুহৰ মাজত অতৃপ্ততাৰে বিচৰণ কৰি ফুৰে। কাৰ্বিসকলে বিশ্বাস কৰে যে যিদৰে এগৰাকী ব্যক্তিক জীয়াই থাকিবলৈ ন্যূনতম অন্ন, বস্ত্ৰ, বাসস্থানৰ প্ৰয়োজন হয়, ঠিক একেদৰে পৃথিৱীত ভ্ৰমি ফুৰা মৃত এই ব্যক্তিসকলৰ আত্মাকো প্ৰয়োজন হয় একেখিনি বস্তুৰেই। ইয়াতে প্ৰতিফলিত হয় মৃত্যুৰ সৈতে সম্পৰ্কিত এক বিশ্বজনীন সংকল্পনা, 'মৃত্যুৰ পিছত জীৱন' (Life after death)। তেওঁলোকে ভাবে যে এই ন্যূনতম প্ৰয়োজনখিনি পূৰণ নকৰিলে অঘৰী আত্মাবোৰে তেওঁলোকৰ ক্ষতিসাধন কৰিব। সেয়েহে মৃতকৰ আত্মাৰ আশ্ৰয়স্থল হিচাপে তেওঁলোকে এটুকুৰা শিলাখণ্ড থিয়কৈ পুতি তাৰ লগতে প্ৰয়োজন হ'ব পৰা অন্ন আৰু বস্ত্ৰৰো যোগান ধৰে। এইখিনিতে

সংস্কৃতি ■ জিতুমণি পাঠক

এনেধৰণৰ পৰম্পৰা মিচৰৰ পিৰামিড বা আহোম ৰজাৰ সমাধিস্থল মৈদামবোৰৰ প্ৰতিষ্ঠাৰ উদ্দেশ্যৰ সৈতে থকা সাদৃশ্যতা মন কৰিবলগীয়া।

কাৰ্বিসকলে মৃতকৰ স্মৃতিচাৰণৰ উদ্দেশ্যে যিডোখৰ শিল পোতে তাক তেওঁলোকে 'লং-এ' বুলি কয়। লং-এ পোতাৰ অধিকাৰ সাধাৰণতে মৃতকৰ নিকট আত্মীয়ৰহে থাকে। লং-এ পোতাৰ বাবে প্ৰতিখন কাৰ্বি গাঁৱতে এডোখৰ নিৰ্দিষ্ট ঠাই থাকে। এই ঠাই ডোখৰক 'লংডান-আকাৰি' নামে জনা যায়। অৱশ্যে কেতিয়াবা তেওঁলোকে লং-এ, লংডান আকাৰিৰ সলনি নিজৰ ঘৰৰ চৌহদতে পোতা দেখা যায়। কিন্তু কোনো পৰিস্থিতিতে লং-এ মৃতকৰ সৎকাৰ কৰা ঠাইত পোতা নহয়। লং-এৰ ঠিক কাষতেই এছতা বহল শিলাখণ্ড তিনিটা সৰু সৰু শিলাখণ্ডৰ ওপৰত প্ৰতিষ্ঠা কৰে যাক তেওঁলোকৰ ভাষাত 'লংফু' নামে জনা যায়। লংফুত তেওঁলোকে মৃতকৰ উদ্দেশ্যে ভাত, মদ আদি উচৰ্গা কৰে। প্ৰত্নতাত্বিকসকলৰ শ্ৰেণী বিভাজন অনুযায়ী এই লং-এ আৰু লংফুবোৰক যথাক্ৰমে 'মেনহিৰ' (Menhir) আৰু 'ডলমেন' (Dolmen)ৰ শাৰীত পেলাব পাৰি।

ব্যক্তি এগৰাকীৰ মৃত্যুৰ এসপ্তাহমান পিছত কাৰ্বিসকলে এই শিলপোতা অনুষ্ঠানটো অনুষ্ঠিত কৰে। স্মৃতিচাৰণৰ উদ্দেশ্যে পোতা এই শিলডোখৰৰ নিৰ্বাচনত তেওঁলোকে কিছু নীতি-নিয়ম মানি চলা দেখা যায়। দীঘল, ঘূৰণীয়া শিল এডোখৰ এই ক্ষেত্ৰত তেওঁলোকৰ প্ৰথম পছন্দ। শিলডোখৰৰ এটা মূৰ জোঙা হোৱাৰ ক্ষেত্ৰতো তেওঁলোকে গুৰুত্ব প্ৰদান কৰে। লংডান আকাৰি এখনলৈ লক্ষ্য কৰিলে দেখা যায় যে এই ... ফুটমানৰ পৰা আৰম্ভ কৰি ১৮-২০ ফুটলৈ হয়। কিন্তু লক্ষণীয় কথাটো হ'ল শিলা খণ্ড এটাৰ আকৃতিয়ে যিজন ব্যক্তিৰ লগত শিলপোতা হয় তেওঁৰ সামাজিক প্ৰতিপত্তি বা স্থানৰ কথা নিৰ্দেশ নকৰে। অনুষ্ঠানটো সমাপন কৰাৰ সময়ত সুবিধা অনুযায়ী যেনে শিলাখণ্ড পোৱা যায় তাকেই ব্যৱহাৰ কৰা হয়। সেয়েহে সামাজিক প্ৰতিপত্তিৰ ক্ষেত্ৰত একেবাৰে নিম্ন পৰ্যায়ৰ ব্যক্তিৰ নামতো যদি এডোখৰ প্ৰকাণ্ড শিলাখণ্ড দেখিবলৈ পোৱা যায় তেন্তে তাত আচৰিত হ'বলগীয়া কথা একো নাথাকে।

শিলপোতা পৰ্বটো অনুষ্ঠিত হোৱাৰ আগে আগে গাঁৱৰ পাঁচৰ পৰা দহজন মানুহে দলবান্ধি শিলাখণ্ডৰ সন্ধানত পাহাৰলৈ যায়। সেই দলটোত পুৰোহিত শ্ৰেণীৰ এজন ব্যক্তিও থাকে, যিয়ে এনে শিলাখণ্ড নিৰ্বাচনত সিদ্ধহস্ত। শিল এডোখৰ মৃত নে জীৱিত এই কথা তেওঁ নিৰ্ণয় কৰে। সাধাৰণতে জীৱিত শিল এডোখৰহে এনে কামৰ বাবে উপযুক্ত। অত্যধিক পৰিমাণে আন্তৰিত শিলবোৰক তেওঁলোকে মৃত শিল হিচাপে গণ্য কৰে। শিলাখণ্ড নিৰ্বাচনৰ পিছত পুৰোহিত শ্ৰেণীৰ ব্যক্তিগৰাকীয়ে মন্ত্ৰোচাৰণৰে শিলা খণ্ডক উদ্দেশ্যি ভাত, মদ, মাংস আদি উচৰ্গা কৰে আৰু তাৰ পিছতহে লগত যোৱা মানুহবোৰৰ সহায়ত তাক লংডান আকাৰি লৈ কঢ়িয়াই আনে।

লংডান আকাৰিত যিদিনাখন শিলা খণ্ড পোতা হয়, তাৰ লগত জড়িত যি ধাৰ্মিক বিধি-বিধান থাকে সেই সকলো কাৰ্য সমাধা কৰে 'ইংতি' আৰু 'কাঠাৰ' উপাধিধাৰী দুগৰাকী ব্যক্তিয়ে। কাৰ্বি সমাজত তেওঁলোক পুৰোহিত হিচাপে স্বীকৃত। এই দুগৰাকী ব্যক্তিক সকলো ধৰণে সহায় আগবঢ়াই 'যম কাঠাৰ' উপাধিধাৰী আন এগৰাকী ব্যক্তিয়ে। এই তিনিগৰাকী ব্যক্তিৰ সক্ৰিয় ভূমিকাত শিলপোতা ঘটে। মূলতঃ পুৰুষসকলেহে এই অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। মহিলা বা শিশুসকলৰ এই অনুষ্ঠানত উপস্থিতিত কোনো বাধা-নিষেধ নাথাকে যদিও তেওঁলোকৰ কোনো উল্লেখনীয় ভূমিকাও নাথাকে।

এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে কাৰ্বিসকলে কেতিয়াবা ব্যতিক্ৰমী কাৰণত জীৱন্ত ব্যক্তিৰ নামতো এনে শিলপোতা দেখা যায়। অৱশ্যে যিজন ব্যক্তিৰ নামত এনে শিলপোতে সেই ব্যক্তিগৰাকীৰ নিকট আত্মীয়ই তেওঁক সামাজিকভাৱে মৃত বুলি ঘোষণা কৰে। উদাহৰণস্বৰূপে, যেতিয়া কোনো পৰিয়ালৰ এগৰাকী ব্যক্তিয়ে পিতৃ-মাতৃ বা ঘৰৰ অসন্মতিত অন্য জাতিৰ ছোৱালী এজনী বিয়া কৰাই, তেতিয়া পিতৃ-মাতৃ বা ঘৰৰ আন সদস্যই তেওঁক মৃত বুলি ঘোষণা কৰি তেওঁৰ নামত শিল এডোখৰ পোতে। অৱশ্যে এই ক্ষেত্ৰত শিলডোখৰক লং-এ বুলি নকয় 'ইনফেৰা লং' নামে জনা যায়। বাকী আন বিধি-বিধানবোৰ অৱশ্যে একেই।

মহাপাষাণ সংস্কৃতি— যি বিশ্বৰ অন্যান্য প্ৰান্তত মৃত বুলি স্বীকৃত, সেই সময়ত উত্তৰ-পূব ভাৰতত ইয়াৰ অনুশীলন প্ৰত্নতাত্বিকসকলৰ বাবে আকৰ্ষণৰ বিষয় হৈ পৰিছে। মহাপাষাণ সংস্কৃতিৰ চৰ্চা ইয়াৰ আৱিষ্কাৰৰ পিছৰে পৰা প্ৰত্নতাত্বিকসকলৰ বাবে এক দুৰ্বোধ্য সাঁথৰ হিচাপে পৰিগণিত হৈছে। তেনে ক্ষেত্ৰত 'কাৰ্বিসকলৰ মাজত থকা ইয়াৰ জীৱন্তৰূপে প্ৰত্নতাত্বিকসকলক ইয়াৰ বহতো নতুন দিশ উন্মোচিত কৰাত সহায় আগবঢ়াব পাৰে। কিন্তু যিদৰে প্ৰয়োজন ঠিক সেইদৰে ইয়াৰ সুবিস্তৃত অধ্যয়ন বা গৱেষণ... নোহোৱা হেতুকে আমি ... এক মহান সাংস্কৃতিক ঐতিহ্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা নাই।